# অসম বিধান সভা

**তৰাচিহ্নিত প্ৰশ্ন নং – ৬২**

উত্তৰ দিয়াৰ তাৰিখ : ০৯/০৭/২০২৬

**বিধায়কৰ নাম : শ্ৰী বিজয় কুমাৰ গুপ্তা :**

**বিষয় : খোৱাপানীৰ অভাৱ সন্দৰ্ভত।**

**: প্ৰশ্ন :**

**মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ অন্তৰ্গত ৱাৰ্ড নং **১১**, **১২**, **১৩**, **২৭** আৰু **২১** এই ৫ টা ৱাৰ্ডত ৰাইজৰ খোৱাপানীৰ অভাৱত আজি বহুদিন ধৰি জীয়াতু ভুগিবলগা হৈ থকাৰ কথাটো চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত তেন্তে অতি সোনকালে উক্ত এলেকাবোৰত খোৱাপানী যোগানৰ বাবে কিবা ব্যৱস্থা হাতত ল'বনে ?

(গ) যদি লয়, কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব ?

**: উত্তৰ :**

**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কৌশিক ৰায়দেৱে উত্তৰ দিব–**

(ক) অৱগত। উল্লেখিত **১৩** নং ৱাৰ্ডৰ কিছুসংখ্যক গ্ৰাহকক বৰ্তমান গুৱাহাটী পৌৰ নিগমৰ জৰিয়তে পানী যোগানৰ ব্যৱস্থা অব্যাহত আছে যদিও, গুৱাহাটী জল ব'ৰ্ডে উক্ত ৫টা ৱাৰ্ডত সম্পূৰ্ণ ৰূপে পানী যোগানৰ ব্যৱস্থা হাতত লৈছে।

দক্ষিণ গুৱাহাটী পশ্চিম পানী যোগান প্ৰকল্পৰ অধীনত ৱাৰ্ড নং **১১**, **১২**, **১৩** ৰ অন্তৰ্গত অঞ্চল সমূহ হ'ল-গণেশপাৰা, ধীৰেনপাৰা, ভূতনাথ, ভৰলুমুখৰ এটা অংশ আৰু ৱাৰ্ড নং **২১** আৰু **২৭** ৰ অন্তৰ্গত অঞ্চল সমূহ হ'ল – কালাপাহাৰ, লালগণেশ, চাইকেল ফেক্টৰী ইত্যাদি। এই অঞ্চল সমূহত খোৱাপানীৰ যোগানৰ বাবে গুৱাহাটী জল ব'ৰ্ডে বিহিত ব্যৱস্থা হাতত লৈছে ।

(খ) উল্লেখিত ৱাৰ্ড সমূহৰ খোৱাপানী যোগানৰ বাবে গুৱাহাটী জল ব'ৰ্ডে দুটাকৈ প্ৰকল্প ক্ৰমে (১) দক্ষিণ গুৱাহাটী পশ্চিম পানী যোগান প্ৰকল্প আৰু (২) দক্ষিণ মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প-ৰ অধীনত সংশ্লিষ্ট ৱাৰ্ড সমূহত পানী যোগানৰ সমস্যা সমূহ সমাধান কৰি সেই অঞ্চলৰ নাগৰিকসকলক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে।

(গ) এই প্ৰকল্প সমূহৰ অধীনত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

*NB : Soft copy of the reply has also been submitted through the portal www.cms.neva.gov.in*